**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-10-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

১। কেন্দ্ৰীয় চৰকাৰে কৃষক উৎপাদক সংস্থাৰ জৰিয়তে দুই কোটি কৃষকক সামৰি লোৱাৰ পদক্ষেপ লৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে গুজৰাটৰ কেৱড়িয়াত এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ প্ৰতীক স্বৰূপে একতাৰ কুচকাৱাজ মুকলি কৰিব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আছিয়ান ৰাষ্ট্ৰ আৰু সহযোগী দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সন্মিলন এ ডি এম এম প্লাছত অংশগ্ৰহণৰ উদ্দেশ্যে আজি মালয়েছিয়ালৈ ৰাওনা হৈছে।

৪। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে চাৰিদিনীয়া ভ্ৰমণ সূচীৰে আজি ভূটানত উপস্থিত হৈছে।

*আৰু*

৫। মহিলা আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক জয়ৰ বাবে ৩৩৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে জনাইছে যে, এতিয়ালৈকে দেশত প্ৰায় ১০ হাজাৰটা কৃষক উৎপাদক সংস্থা গঠন কৰা হৈছে আৰু এই সংস্থাসমূহৰ বহুতৰে বছৰি আয়ে ১০০ কোটি টকা চুবলৈ সমৰ্থ হৈছে। নতুন দিল্লীত দুদিনীয়াকৈ অনুষ্ঠিত **সমাগম ২০২৫** শীৰ্ষক অনুষ্ঠানত উপস্থিত থাকি আজি মন্ত্ৰীগৰাকীয়ে কয়, যে এই সংস্থাসমূহৰ এহাজাৰ ১০০টা সংস্থাই কোটিপতি হৈছে আৰু লগতে ৫২ লাখ কৃষক ইয়াৰ দ্বাৰা উপকৃত হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে, কেন্দ্ৰীয় চৰকাৰে এই সংস্থাসমূহৰ জৰিয়তে অনাগত সময়ত দুই কোটি কৃষকক সামৰি লোৱাৰ পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে গুজৰাটৰ কেৱড়িয়াত এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ প্ৰতীক স্বৰূপে একতাৰ কুচকাৱাজ মুকলি কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। বিহাৰৰ ৰাজধানী পাটনাত আজি এখন সংবাদ মেলত শ্ৰী শ্বাহে কয়, যে প্ৰতিবছৰে ৩১ অক্টোবৰত একতা নগৰত এই কুচকাৱাজৰ আয়োজন কৰি অহা হৈছে। শ্ৰী শ্বাহে কয়, যে কাইলৈ চৰ্দাৰ বল্লভভাই পেটেলৰ ডেৰশ বছৰীয়া জন্ম বাৰ্ষিকী উদযাপন কৰাৰ পৰিপ্ৰেক্ষিতত এই কুচকাৱাজ অনন্য ৰূপে পৰিগণিত হৈছে। নতুন দিল্লীত প্ৰতিবছৰে আয়োজন কৰা গণৰাজ্য দিৱসৰ কুচকাৱাজৰ দৰে একতাৰ কুচকাৱাজৰো আয়োজন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহ, ৰাজ্যিক আৰক্ষী বাহিনীসমূহৰ লগতে দেশৰ বিভিন্ন অংশৰ শিল্পীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

আৰক্ষী বাহিনীসমূহৰ অদম্য সাহস আৰু বলিদানৰ বাবে এই কুচকাৱাজ তেওঁলোকৰ নামত উৎসৰ্গিত কৰা হৈছে বুলি শ্ৰী শ্বাহে মন্তব্য কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে এইবেলি দেশৰ প্ৰতিখন ৰাজ্য, জিলা, বিদ্যালয় আৰু বিশ্ববিদ্যালয়ত ব্যাপক পৰিসৰত একতাৰ দৌৰৰ আয়োজন কৰা হ'ব। তেওঁ লগতে বীৰচা মুণ্ডাৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি পহিলা নৱেম্বৰৰ পৰা ১৫ নৱেম্বৰলৈ একতা নগৰত ভাৰতপৰ্বৰ আয়োজন কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে ভাৰতপৰ্বৰ অন্তিম দিনটো জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰা হ'ব। সেই দিনটোত জনজাতীয় সংস্কৃতি, নৃগোষ্ঠীয় বস্ত্ৰ সম্ভাৰ আৰু সংগীতৰ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰীয়ে কাইলৈ নতুন দিল্লীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ ত অংশগ্ৰহণ কৰিব। মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ২০০ বছৰীয়া জয়ন্তী আৰু আৰ্য সমাজৰ সেৱাৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনৰ লগত সংগতি ৰাখি সেৱাৰ স্বৰ্ণিল ডেৰশ বছৰ শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। এই প্ৰদৰ্শনীত শিক্ষা, সামাজিক সংস্কাৰ আৰু আধ্যাত্মিক উত্থানৰ ক্ষেত্ৰত আৰ্য সমাজৰ অৱদানৰ মাধ্যমেৰে সংস্থাটোৰ পৰিবৰ্তনকাৰী যাত্ৰাৰ বিষয়ে আলোকপাত কৰা হ'ব। এই প্ৰদৰ্শনীত দেশ-বিদেশৰ আৰ্য সমাজৰ গোটসমূহৰ প্ৰতিনিধিবৰ্গই ভাগ ল'ব।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পহিলা নৱেম্বৰৰ পৰা হ'বলগীয়া আছিয়ান ৰাষ্ট্ৰ আৰু সহযোগী দেশৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ সন্মিলন এ ডি এম এম প্লাছত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি দুদিনীয়া ভ্ৰমণসূচীৰে মালয়েছিয়ালৈ ৰাওনা হৈছে। শ্ৰী সিঙে এই ভ্ৰমণৰ সময়ছোৱাত মালয়েছিয়াৰ অধ্যক্ষতাত কাইলৈ আছিয়ান-ভাৰত প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ অনানুষ্ঠানিক বৈঠকৰ দ্বিতীয় সংস্কৰণত ভাষণ দিব। তেওঁ এই মঞ্চত এ ডি এম এম-প্লাছৰ ১৫ বছৰীয়া প্ৰতিফলন আৰু এই পথত অগ্ৰসৰ হোৱাৰ কৌশল শীৰ্ষক বিষয়ত আলোকপাত কৰিব। এই বৈঠকে আছিয়ানৰ সদস্য ৰাষ্ট্ৰ আৰু ভাৰতৰ মাজত প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা আৰু অধিক শক্তিশালী কৰি এক্টইষ্ট নীতিক কাৰ্যকৰী কৰিব।

উল্লেখযোগ্য যে, শ্ৰী সিঙে সামাজিক মাধ্যম এক্স যোগে কয়, যে ভাৰত আৰু আছিয়ান সদস্য ৰাষ্ট্ৰসমূহৰ মাজত প্ৰতিৰক্ষা আৰু সুৰক্ষা সহযোগিতা সুদৃঢ় কৰা আৰু এক্ট ইষ্ট নীতি আগুৱাই নিয়াই এই বৈঠকৰ মূল উদ্দেশ্য। ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে আছিয়ান আৰু সহযোগী ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ লগতে মালয়েছিয়াৰ জ্যেষ্ঠ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে চাৰিদিনীয়া ভ্ৰমণ সূচীৰে আজি ভূটানত উপস্থিত হৈছে। মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে বিত্তমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ উদ্দেশ্য হৈছে ভূটান আৰু ভাৰতৰ মাজত উমৈহতীয়া বিশ্বাস আৰু অংগীকাৰবদ্ধতাৰে কেইবাটাও চুক্তিত স্বাক্ষৰ কৰা। মন্ত্ৰীগৰাকীৰ নেতৃত্বত যোৱা ভাৰতৰ দলটোৱে প্ৰথমে ভূটানৰ ১০০ জন বৌদ্ধ ভিক্ষুৰ বাসস্থান ঐতিহাসিক চাংচেন চোখৰ নামৰ বৌদ্ধ মঠ দৰ্শন কৰিব আৰু তাৰ পাছতেই দেশখনৰ ৰজা জিগমে খেচৰ নামগিয়েন ৱাংচুকৰ লগতে ভূটানৰ প্ৰধানমন্ত্ৰী দাশ্বো শ্বেৰিং টপগেক লগ ধৰিব।

০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এন ডি এ আৰু মহা মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰক তথা শীৰ্ষ নেতাসকলে ভোটদাতাক আকৰ্ষিত কৰাৰ বাবে সকলোধৰণৰ প্ৰচেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুজাফ্‌ফৰপুৰত এখন প্ৰচাৰ সভাত অংশ লৈ কয়, যে বিহাৰৰ জনসাধাৰণৰ বাবে শিক্ষা, স্বাস্থ্য, জলসিঞ্চনকে ধৰি বিভিন্ন ক্ষেত্ৰত  সুযোগ সুনিশ্চিত কৰিবলৈ এন ডি এ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কংগ্ৰেছ  নেতা ৰাহুল গান্ধী আৰু আৰ ডে জিৰ নেতা তেজস্বী যাদৱক সমালোচনা কৰি কয়, যে দুয়োগৰাকী নেতা কেইবা কোটি টকীয়া কেলেংকাৰীৰ গোচৰত অভিযুক্ত আৰু বৰ্তমানৰ সময়ছোৱাত দুয়োগৰাকী নেতাই কেৱল জামিনহে লাভ কৰিছে। দুয়োগৰাকী নেতাই মিছা প্ৰতিশ্ৰুতিৰে জনসাধাৰণক বিপথে পৰিচালিত কৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে লক্ষী চৰাইৰ ভেষত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কয়, যে এন ডি এ চৰকাৰে বিহাৰত নক্সালবাদ, অপহৰণ আৰু আৰু জংঘল ৰাজৰ অন্ত পেলাবলৈ সমৰ্থ হৈছে। তেওঁ অভিযোগ কৰে যে আৰ জে ডিৰ শাসন কালত সমগ্ৰ ৰাজ্যখনত অপৰাধমূলক কাৰ্যকলাপে শীৰ্ষ স্থান পাইছে।

জে ডি ইউৰ নেতা তথা মুখ্যমন্ত্ৰী নীতি কুমাৰে বেগুচৰাই মাটিহানিৰ এখন জনসাভাত ভাষণ দি কয়, যে তেওঁৰ চৰকাৰে বিহাৰত মহিলাসকলৰ সৱলীকৰণ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে আৰ জে দিৰ শাসনকালত ৰাজ্যখনত অপৰাধমূলক কাৰ্যকলাৰে চূড়ান্ত পৰ্যায় লাভ কৰিছিল।

ইপিনে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা আৰু হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখুই কয়, য মহা মিত্ৰজোঁট শাসনলৈ আহিলে পুৰণি পেন্সন নীতি পুনৰ কাৰ্যকৰী কৰা হ'ব। আৰ জে দিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে দ্বাৰভাংগাৰ বাহাদুৰপুৰত এখন নিৰ্বাচনী সভাত ভাষণ দিয়াৰ লগতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে বাৰবিঘাৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে ভাৰতে বাণিজ্য চুক্তি চূড়ান্ত কৰাৰ ক্ষেত্ৰত আমেৰিকাৰ সৈতে সম্পৰ্ক অব্যাহত ৰাখিছে। আজি বিয়লি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত  বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে দুয়ো পক্ষই বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা অব্যাহত ৰাখিছে। তেওঁ লগতে কয়, যে ভাৰতীয় পক্ষই শেহতীয়াকৈ আমেৰিকাই ৰাছিয়াৰ তেল কোম্পানীসমূহৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাসমূহৰ  সন্দৰ্ভতো দৃষ্টি ৰাখিছে। তেওঁ কয়, যে নতুন দিল্লীৰ সিদ্ধান্তসমূহে   স্বাভাৱিকতে বিশ্ব বজাৰৰ পৰিৱৰ্তনশীল ব্যৱস্থা সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰিছে। শক্তিৰ উৎস সন্দৰ্ভত ভাৰতৰ স্থিতি সকলোৰে জানে আৰু দেশৰ বৰ্ধিত সংখ্যক লোকৰ শক্তি সুৰক্ষাৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে বিভিন্ন উৎসৰ পৰা সুলভ শক্তি লাভ কৰাৰ বাবে ভাৰতে প্ৰয়াস চলাই আহিছে। পাকিস্তান আৰু আফগানিস্তান সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত মুখপাত্ৰগৰাকীয়ে কয়, যে আফগানিস্তানে নিজৰ ভূখণ্ডৰ ওপৰত সাৰ্বভৌমত্ব প্ৰয়োগ কৰাৰ বাবে পাকিস্তান ক্ষুব্ধ হৈ পৰিছে। পাকিস্তানে সীমান্তৰ সীপাৰৰ পৰা কেৱল সন্ত্ৰাসবাদকে উৎসাহিত কৰি আহিছে বুলিও অভিযোগ কৰে আৰু প্ৰতিবেশী ৰাষ্ট্ৰসমূহৰ বাবে এয়া গ্ৰহণযোগ্য নহয়। তেওঁ লগতে কয়, যে আফগানিস্তানৰ সাৰ্বভৌমত্ব, ভূখণ্ডৰ অখণ্ডতা আৰু স্বাধীনতাৰ প্ৰতি ভাৰত দায়বদ্ধ। আন এটা প্ৰশ্নৰ উত্তৰত শ্ৰী জয়ছোৱালে কয়, যে জলবিদ্যুৎ প্ৰকল্পকে ধৰি আফগানিস্তান বহনক্ষম পানী ব্যৱস্থাপনাৰ ক্ষেত্ৰত ভাৰতে সহায় কৰিবলৈ সদায় সাজু।

কোৱাদ সন্দৰ্ভত জয়ছোৱালে কয়, যে কোৱাদ হৈছে কেইবাটাও বিষয়ত প্ৰতিবেশী ৰাষ্ট্ৰসমূহে ভাগ-বাটোৱাৰা কৰা আলোচনাৰ এখন মঞ্চ। তেওঁ জোৰ দি কয়, যে যিকোনো নেতাৰ সন্মিলন চাৰিগৰাকী অংশীদাৰৰ কূটনৈতিক পৰামৰ্শ ক্ৰমেহে নিৰ্ধাৰণ কৰা হয়।

ooooooo

মহিলা আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্পৰ্টছ্ একাডেমী খেলপথাৰত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক জয়ৰ বাবে ৩৩৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। অষ্ট্ৰেলিয়াই টছ্‌ত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩৩৮ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ফ’বি লিটছফিল্ডে সৰ্বাধিক ১১৯ ৰান কৰাৰ লগতে এছলে গাৰ্ডনাৰে ৬৩ ৰান কৰে। ভাৰতৰ নাল্লাপুৰেড্ডী চৰণী আৰু দিপ্তী শৰ্মাই দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে ক্ৰান্তি গৌড়, অমনজোত কৌৰ আৰু ৰাধা যাদৱে এটাকৈ উইকেট লাভ কৰে।

ooooooo

সমাপ্ত